**মেচাৰ্চ আদিত্য মিনাৰেলচ প্ৰাইভেট লিমিটেড**

**বনাম**

**কমিচনাৰ অৱ ইনকামটেক্স(আয়কৰ আয়োগ) অন্ধ্ৰপ্ৰদেশ**

**৭ ছেপ্টেম্বৰ, ১৯৯৯**

[ন্যায়াধীশ এছ. পি. ভাৰুচা, ন্যায়াধীশ বি. এন. কিৰপাল, ন্যায়াধীশ ভি. এন. খাৰে, ন্যায়াধীশ এছ. এছ. মহম্মদ কুৱাদ্ৰী আৰু ন্যায়াধীশ ডি. পি. মোহাপাত্ৰ]

*আয়কৰ আইন, ১৯৬১*

*ৰাজহ- ব্যয়- মূল্যায়নকাৰীয়ে ১৫বছৰৰ বাবে খননৰ লিজ লাভ কৰা- মূল্যায়নকাৰীয়ে ১৫ বছৰৰ বাবে খনন পট্টা লাভ কৰিছিল গোটেই সময়ছোৱাৰ বাবে পট্টাৰ ভাড়াৰ সমান পৰিমাণ পট্টাদাতাৰ ওচৰত নিশ্চয়তা হিচাপে জমা কৰা হৈছিল আৰু প্ৰতি মাহৰ ভাড়াৰ বিপৰীতে ই সালসলনি কৰিব পৰা গৈছিল- উপস্থাপন কৰে, ভাৰাৰ পৰিমাণটো ৰাজহ ব্যয় বুলি মূল্যায়নকাৰীৰ দাবী ৰাজহ কৰ্তৃপক্ষই সঠিকভাৱে নাকচ কৰিছিল।*

আপীলকাৰী- মূল্যায়নকাৰীক খননৰ উদ্দেশ্যে কিছু ভূমি মাহিলী প্ৰতি একৰত ৩৫ কৌটি টকা ভাড়াত লীজত দিয়া হৈছিল। এইটো নিৰ্ধাৰণ কৰা হৈছিল যে, লেচীয়ে লেচৰক পোন্ধৰ বছৰৰ বাবে লিজ ডিডৰ সঠিক কাৰ্য্যকৰীকৰণৰ বাবে গেৰাণ্টিৰ জৰিয়তে জমা কৰিব, লিজৰ সম্পূৰ্ণ সময়ৰ বাবে লিজৰ ভাৰাৰ সমান পৰিমাণ প্ৰতি মাহৰ ভাৰাৰ বিপৰীতে নিয়ন্ত্ৰণযোগ্য হ'ব আৰু গেৰাণ্টি ডিপোজিটত কোনো সুত বহন নকৰিব। প্ৰাসংগিক মূল্যায়ন বৰ্ষৰ বাবে মূল্যায়নকাৰীয়ে

ভাৰাৰ পৰিমাণটো ৰাজহ ব্যয় হিচাপে দাবী কৰিছিল। এই দাবীক ৰাজহ কৰ্তৃপক্ষ, আয়কৰ আপীল ন্যায়াধিকৰণ আৰু উচ্চ ন্যায়ালয়েও নাকচ কৰিছিল। ক্ষুব্ধ হৈ মূল্যায়নকাৰীয়ে বৰ্তমানৰ আবেদন দাখিল কৰিছিল। আপীলসমূহৰ শুনানি গ্ৰহণ কৰা খণ্ড বিচাৰপীঠে অনুভৱ কৰিছিল যে, *গোটান লাইম চিণ্ডীকেট* * আৰু *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেড* *ৰ তিনিজন ন্যায়াধীশৰ বিচাৰপীঠে প্ৰদান কৰা এই আদালতৰ দুটা ৰায়ৰ মাজত সংঘাত আছিল আৰু বিষয়টো এক বৃহৎ বিচাৰপীঠলৈ প্ৰেৰণ কৰিছিল। সেই অনুসৰি পাঁচজন ন্যায়াধীশৰ বিচাৰপীঠে এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰিছিল।

আপীলসমূহ নাকচ কৰি আদালতে

উপস্থাপন কৰে, ১.১ *গোটান লাইম চিণ্ডীকেট* ** আৰু *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেড* **ৰ তথ্যৰ মাজত এক বস্তুগত পাৰ্থক্য আছে। *গোটান লাইম চিণ্ডীকেটৰ* ৰায়টোৱে স্পষ্টভাৱে দেখুৱাইছে যে, সেইক্ষেত্ৰত এবাৰো কোনো ধন পৰিশোধ কৰা হোৱা নাছিল। এইটো ডেড ৰেন্ট(এটা নিৰ্দিষ্ট অঞ্চলৰ বাবে ক্ষুদ্ৰ খনিজ পদাৰ্থ আৰু খনন কাৰ্য্যকলাপৰ ক্ষেত্ৰত লিজ বা অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে নিৰ্দিষ্ট ভাৰা বা নিম্নতম পৰিমাণৰ ৰূপত 'ডেড ৰেণ্ট' আদায় কৰা হয়) আৰু ৰয়েল্টী(খনিৰ সংশ্লিষ্ট অঞ্চলৰ পৰা খনন কৰা বা নিষ্কাশিত বা উলিওৱা সামগ্ৰী বা খনিজৰ ভিত্তিত 'ৰয়েল্টী' আদায় কৰা হয়)-ৰ বাৰ্ষিক পৰিশোধ আছিল। আদালতে এই দৃষ্টিভংগী গ্ৰহণ কৰিছিল যে, ৰয়েল্টী পৰিশোধ স্থায়ী সুবিধা লাভৰ বাবে প্ৰত্যক্ষ পৰিশোধ নহয়; ই খননকৰিবলগীয়া কেঁচা সামগ্ৰীৰ সৈতে সম্পৰ্ক আছিল; আৰু কোম্পানীটোৱে যি পাইছিল সেয়া আছিল উৎপাদনৰ বাবে চূণ পোৱাৰ অধিকাৰ আৰু পৰিশোধৰ পোনপটীয়া সম্পৰ্ক আছিল নিষ্কাশিত চূণৰ পৰিমাণৰ সৈতে। ৰায়টোত লগতে কোৱা হৈছে যে, *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ*

গোচৰটো পৃথক কৰিব পৰা হৈছিল কাৰণ, তথ্য অনুসৰি ই ব্যৱসায়ৰ বাবে স্থায়ী লাভৰ মূলধন সম্পত্তি আহৰণৰ বাবে কিস্তি হিচাপে এককালীন পৰিশোধ আছিল। [২৩৫-এফ-জি]

**গোটান লাইম চিণ্ডীকেট* বনাম *আয়কৰ আয়ুক্ত, ৰাজস্থান আৰু দিল্লী,* (১৯৬৬) ৫৯ আই. টি. আৰ. ৭১৮-য়ে ব্যাখ্যা আৰু পৃথক কৰিছিল।

১.২ বৰ্তমানৰ গোচৰটো *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেড***ৰ সমতুল্য, বৰ্তমানৰ গোচৰটোৰ লিজ ডিড অনুসৰি, মূল্যায়নকাৰীয়ে যি পৰিশোধ কৰিব লাগিছিল- সেয়া লিজত দিয়া ভূমিৰ ভাৰা আছিল। মূল্যায়নকাৰীয়ে লিজৰ সমগ্ৰ সময়ছোৱাৰ বাবে, অৰ্থাৎ পোন্ধৰ বছৰৰ বাবে, "জমা"ৰ ৰূপত, মাহেকীয়া হাৰত গণনা কৰা ভাড়া আগতীয়াকৈ পৰিশোধ কৰিব লগা হৈছিল। এই জমা পোন্ধৰ বছৰৰ বাবে লিজ ডিডৰ সঠিক কাৰ্য্যকৰীকৰণৰ বাবে, অৰ্থাৎ পোন্ধৰ বছৰৰ ভাৰাৰ বাবে গেৰাণ্টিৰ ৰূপত আছিল। ই প্ৰত্যেক মাহৰ ভাৰাৰ বিপৰীতে নিয়ন্ত্ৰণযোগ্য আছিল আৰু ইয়াত কোনো সুত নাছিল। [২৩৬-বি-চি]

***পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেড* বনাম আয়কৰ আয়ুক্ত, হায়দৰাবাদ, (১৯৬০) ৪০ আই. টি. আৰ. ৬৭, নিশ্চিত কৰা হৈছে।

১৯৮৯চনৰ দেৱানী আপীল নং ৪৮৫৮-৫৯।

১৯৮০চনৰ চি. আৰ. নং ৩৮ আৰু ৭৫-ত অন্ধ্ৰপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ ০৪-১২-৮৪তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ বাবে সঞ্জয় কুনুৰ আৰু আৰ. এন. কেশৱানী।

উত্তৰদাতাৰ বাবে এম. এল. বাৰ্মা, ৰণবীৰ চন্দ্ৰ, এছ. কে. দ্বিবেদী আৰু এছ. ৱাছিম এ. কাদৰী।

আদালতৰ ৰায়দান কৰে-

ন্যায়াধীশ ভাৰুচাৰ দ্বাৰা প্ৰদান কৰা হৈছিল। এই আপীলবোৰ এই আদালতৰ তিনিজন বিদ্বান ন্যায়াধীশৰ *পিংগলে ইণ্ডাষ্ট্ৰীজ লিমিটেড* আৰু *গোটান লাইম চিণ্ডিকেট বনাম আয়কৰ আয়ুক্ত, ৰাজস্থান আৰু দিল্লী,* (১৯৬৬) ৫৯ আই. টি. আৰ. ৭১৮-ত দুখন পীঠৰ ৰায়দানৰ মাজৰ মতানক্য সমাধান কৰিবলৈ সংবিধান পীঠলৈ প্ৰেৰণ কৰা হৈছিল।

বিবেচনা কৰিবলগীয়া সাধাৰণ প্ৰশ্নটো এনেধৰণৰঃ

> "তথ্যৰ ওপৰত আৰু গোচৰৰ পৰিস্থিতিত, হিচাপ-নিকাচৰ বৰ্ষত মূল্যায়নকাৰীয়ে প্ৰদান কৰা ১০,৭৫২ টকাৰ পৰিমাণ মূল্যায়নকাৰী-কোম্পানীৰ ব্যৱসায়িক লাভ গণনা কৰাৰ ক্ষেত্ৰত কৰ্তন হিচাপে অনুমোদিত ব্যয় নাছিল নেকি?"

আবেদনকাৰী-মূল্যায়নকাৰীয়ে আদিত্য মিনাৰেলছ প্ৰাইভেট লিমিটেডৰ পৰা ১৯৭২চনৰ ৮মাৰ্চ তাৰিখত এখন লিজ লাভ কৰিছিল। এই লিজ ডিডৰ এটা চুক্তি আছিল যে- "ইয়াত লেছৰে এই লিজ ডিডৰ সৈতে সংলগ্ন অনুসূচী 'এ'ত বিশেষভাৱে বৰ্ণনা কৰা ভূমিৰ লিজ প্ৰদান কৰিব আৰু প্ৰথম ডিচেম্বৰৰ পৰা পোন্ধৰ বছৰ সময়ৰ বাবে ইয়াৰ এটা অংশ গঠন কৰিব, প্ৰতি একৰত ৩৫টকা(পঁয়ত্ৰিশ টকা) মাত্ৰ মাহিলী ভাড়াত, একহাজাৰ নশ এসত্তৰ টকা হ'ব।" লিজ ডিডৰ ২নং দফাত কোৱা হৈছে যে "লেছীয়ে পোন্ধৰ বছৰৰ বাবে এই লিজ ডিডৰ যথাযথ কাৰ্য্যকৰীকৰণৰ বাবে গেৰাণ্টিৰ জৰিয়তে লেছাৰৰ ওচৰত জমা কৰিব, লিজৰ সম্পূৰ্ণ সময়ৰ বাবে ভূমিৰ লিজৰ

ভাৰাৰ সমান পৰিমাণ, যি প্ৰতি মাহৰ ভাৰাৰ বিপৰীতে এজচাচেৱল(সমাযোজনযোগ্য) হ'ব। এই সম্পূৰ্ণ গেৰাণ্টি ডিপোজিটে লেছৰে লেছিলৈ পৰিশোধ কৰিবলগীয়া কোনো সুত বহন নকৰে।" মূল্যায়নকাৰীক "খননৰ উদ্দেশ্যে আৰু অন্যান্য উদ্দেশ্যৰ বাবে ভূমি ব্যৱহাৰ কৰাৰ" স্বাধীনতা লিজ চুক্তিত প্ৰদান কৰা হয়।

প্ৰশ্নযুক্ত মূল্যায়ন বছৰবোৰৰ বাবে, মূল্যায়নকাৰীয়ে দাবী কৰিছিল যে ভাৰাৰ পৰিমাণ প্ৰায় ১০,৭৫২টকা প্ৰতি বছৰে ৰাজহ ব্যয় হিচাপে। এই দিশত মূল্যায়নকাৰীৰ দাবী কৰ্তৃপক্ষ, আয়কৰ আপীল ন্যায়াধিকৰণ আৰু অৱশেষত অন্ধ্ৰপ্ৰদেশৰ উচ্চ ন্যায়ালয়ে নাকচ কৰিছিল, যাৰ ৰায়ৰ বিৰুদ্ধে মূল্যায়নকাৰীয়ে আপীল কৰিছিল।

আমি পাইছো যে, *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেড*ৰ গোচৰৰ তথ্য আৰু *গোটান লাইম চিণ্ডীকেট*ৰ গোচৰৰ তথ্যৰ মাজত এক বস্তুগত পাৰ্থক্য আছে। যিহেতু মূল্যায়নকাৰীৰ ওপৰত নিৰ্ভৰ কৰা গোটান লাইম চিণ্ডীকেটৰ ৰায়টোৱে স্পষ্টভাৱে দেখুৱাইছে যে সেইক্ষেত্ৰত "সকলোৰে বাবে এবাৰ কোনো পৰিশোধ কৰা নহয়; ই হৈছে ডেড-ৰেণ্ট আৰু ৰয়েল্টীৰ বাৰ্ষিক পৰিশোধ। এইটো সঁচা যে যদি এক মূলধনৰ পৰিমাণ পোৱা যায় আৰু প্ৰতি বছৰে বিভিন্ন কিস্তিত মূলধনৰ পৰিমাণ নিৰ্ধাৰণ কৰি পৰিশোধ কৰা হয়, তেন্তে পৰিশোধটোৱে মূলধন পৰিশোধ হিচাপে ইয়াৰ চৰিত্ৰ হেৰুৱাব নোৱাৰে যদি নিৰ্ধাৰিত পৰিমাণটো মূলধনৰ প্ৰকৃতিৰ হয়। কিন্তু এই ক্ষেত্ৰত এইটো এটা গুৰুত্বপূৰ্ণ সত্য যে, এইটো ৰয়েল্টী বা ডেড-ৰেণ্টৰ বাৰ্ষিক পৰিশোধৰ ক্ষেত্ৰ।" ৰায়টোত লগতে কোৱা হৈছে যে *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেড*ৰ গোচৰটো" পৃথক কৰিব পৰা আছিল কাৰণ, তথ্য অনুসৰি, ই তেওঁৰ ব্যৱসায়ৰ বাবে স্থায়ী লাভৰ মূলধন সম্পত্তি আহৰণৰ বাবে কিস্তি হিচাপে এককালীন পৰিশোধ আছিল"। *গোটান লাইম চিণ্ডীকেট*ৰ আদালতে এই দৃষ্টিভংগী গ্ৰহণ কৰিছিল যে, তাত

ৰয়েল্টী পৰিশোধ "স্থায়ী সুবিধা লাভ কৰাৰ বাবে প্ৰত্যক্ষ পৰিশোধ নহয়; ইয়াৰ খনন কৰিবলগীয়া কেঁচা সামগ্ৰীৰ সৈতে সম্পৰ্ক আছে"।

এইদৰে আদালতে *গোটান লাইম চিণ্ডীকেটৰ* হৈ এই যুক্তি গ্ৰহণ কৰে যে, তেওঁলোকে যি লাভ কৰিছিল সেয়া উৎপাদনৰ বাবে চূণ পোৱাৰ অধিকাৰ আছিল আৰু পৰিশোধৰ পোনপটীয়া সম্পৰ্ক আছিল নিষ্কাশন কৰা চূণৰ পৰিমাণৰ সৈতে।

আমাৰ আগত থকা গোচৰটোত, লিজ ডিডত উল্লেখ কৰা অনুসৰি, মূল্যায়নকাৰীয়ে যি পৰিশোধ কৰিব লাগিছিল সেয়া আছিল লিজ দিয়া ভূমিৰ ভাৰা। এইটো প্ৰতি মাহে প্ৰতি একৰত ৩৫টকা হাৰত পৰিশোধযোগ্য আছিল। মূল্যায়নকাৰীয়ে লিজৰ সমগ্ৰ সময়ৰ বাবে, অৰ্থাৎ পোন্ধৰ বছৰৰ বাবে, "জমা"ৰ ৰূপত এই হাৰত গণনা কৰা ভাৰা আগতীয়াকৈ পৰিশোধ কৰিব লগা হৈছিল। জমাটো আছিল 'পোন্ধৰ বছৰৰ বাবে এই লিজ ডিডৰ যথাযথ কাৰ্য্যকৰীকৰণৰ গেৰাণ্টিৰ জৰিয়তে", অৰ্থাৎ পোন্ধৰ বছৰৰ ভাৰাৰ বাবে। ই প্ৰত্যেক মাহৰ ভাৰাৰ বিপৰীতে নিয়ন্ত্ৰণযোগ্য আছিল আৰু ইয়াত কোনো সুত নাছিল।

তথ্য অনুসৰি, আমাৰ দৃষ্টিত এই গোচৰটো *পিংলে ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ* সমান আৰু সেই অনুসৰি, দেৱানী আবেদনসমূহ বিফল হ'ব লাগিব আৰু নাকচ কৰিব লাগিব।

খৰচৰ বিষয়ে কোনো অৰ্ডাৰ নাই।

আৰ. পি.

আবেদনসমূহ নাকচ কৰা হয়।

..............................................................................

অনুবাদ: ড. অৰ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উষ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

...................